আজি কালি সঘনাই কোৱা হয় বিশ্বায়ন (Globalisation) ৰ কথা। বিশ্বৰ উন্নয়নশীল আৰু অনগ্ৰসৰ দেশ সমূহ বিশ্বায়নৰ প্ৰভাবত পৰি নিজ নিজ অস্তিত্ব হেৰুওৱাৰ সংকটত পৰিছে। ক'ব নোৱাৰাকৈয়ে সামাজিক, সাংস্কৃতিক দিশবোৰত ইয়াৰ প্ৰভাব পৰিছে। ঘৰ-দুৱাৰ, থকা-মেলা, খোৱা-বোৱা, আচাৰ-ব্যৱহাৰ আদিত ঘটা পৰিবৰ্তন সক্ষ্যনীয় হৈ পৰিছে। সমাজৰ প্ৰবীন নবীনৰ এক বৃহৎ অংশই সস্তীয়া আমদানিকৃত ভোগবাদী মানসিকতাৰ কবলত পৰি নিজকে হেৰুৱাই পেলাইছে আৰু সাংস্কৃতিক মূলৰ পৰা বিচ্ছিন্ন হৈ পৰিছে। অৱশ্যে এনে অভিযোগ দ্বিধাহীন ভাবে মানি লোৱাটোও কঠিন। আমি মনত ৰখা দৰকাৰ , মুষ্টিমেয় হলেও প্ৰবীন আৰু নতুন প্ৰজন্মৰ এচামে নৈতিকতা আৰু মানবীয় প্ৰমূল্যক বিসৰ্জন দিয়া নাই। সেইবাবেই বোধহয় সমাজ সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱা নাই। অক্টাভিঅ' পাজে কৈছিল — "আধুনিকতাৰ কোনো সীমা , তাৰিখ নাই। সভ্যতাই জন্ম লয়। ফল ফুলেৰে জাতিস্কাৰ হয়। ৰেলগাড়ীয়ে ঘোঁৰাগাড়ীক অপসাৰণ কৰে, আৰু এৰোপ্লেনে ৰেলগাড়ীক। ধনুকাড় হয়গৈ বন্দুক কামান আৰু বন্দুক কামান হয়গৈ আনবিক বোমা... কিন্তু মানুহ মূলতঃ একেই থাকে। আজিও একে আছে। মানুহৰ আবেগ অনুভূতিৰ কাৎচিৎহে সলনি হয়। মানুহৰ স্বভাৱ বা প্ৰকৃতি বিশ্বজনীন আৰু শাশ্বত, সকলো সংস্কৃতি সকলো যুগতে একে থাকে।" সকলো মানুহৰ এক ৰঙীন ভবিষ্যতৰ বাবে মূলতঃ মানুহ হিচাপে জীয়াই থাকিবলৈ সদায়েই এক নতুন আৰম্ভণিৰ বাবে থল থাকে। আজিও আছে।

উত্তৰ ঃ — বাণী দিবলৈ যোগ্যতাৰ অভাব, তথাপি এযাৰ কথা ক'বলৈ মন গৈছে। নৱ প্ৰজন্মই নৈতিকতা আৰু মানবীয় মূল্যবোধক সমল কৰি নিজক আদৰ্শ মানৱ সম্পদ ৰূপে গঢ়ি তোলক আৰু লগতে হিংসা-দ্বেষ, দুৰ্নীতি, ভ্ৰষ্টাচাৰ বৰ্জিত, বঞ্চনা বিহীন এখন সুস্থ সবল সমাজ গঢ়াৰ আদৰ্শ আৰু লক্ষ্য স্থিৰ কৰক।

"আমাৰ অসম" কাকতৰ বাতৰি বিভাগৰ মুৰব্বী শ্ৰীযুত গৌতম শৰ্মাদেৱে আমাক সহাঁবি জনালে এনেদৰে —

১। প্ৰশ্নোত্তৰ ঃ — প্ৰথমকথা, নৱ প্ৰজন্মই 'নৈতিকতা' শিকিব কাৰ পৰা? আমাৰ সমাজৰ বহুতো নমস্য (?) পণ্ডিত, বুদ্ধিজীৱি, শিল্পী সাহিত্যিককে বহু ক্ষেত্ৰত, ভিন ভিন পৰিবেশ পৰিস্থিতিত নৈতিকভাবে সবল বুলি কব নোৱাৰি। অগ্ৰজ সকলক সদায় অনুজে অনুকৰণ, অনুসৰণ কৰে। যেতিয়া নতুন প্ৰজন্মই দেখিব যে তেওঁলোকৰ অগ্ৰজসকলৰ কিছুসংখ্যকে সমাজত কিছুমান ৰুচিবিগৰ্হিত, নিন্দনীয় কাম কৰিও কোনো দিনে লজ্জাত শিৰ নত নকৰি একেবাৰে সহজ ভাবেই এটা বিলাসী জীৱন উপভোগ কৰি আছে, সমাজত তেওঁলোকেই প্ৰতিষ্ঠিত ব্যক্তি হিচাপে স্বীকৃতি পাই আহিছে , তেতিয়া তেওঁলোকো পাপ-পুণ্য, ভাল-বেয়াৰ ক্ষেত্ৰত অন্ধ হৈ পৰিব আৰু 'নৈতিকতা' 'মানবীয় প্ৰমূল্য' জাতীয় শব্দবোৰ তেওঁলোকৰ বাবে 'সাঁথৰ' হৈ পৰিব।

দ্বিতীয়তে, কেৱল অসম বা ভাৰততে নহয়, আজি সমগ্ৰ বিশ্বতে ভোগবাদী ধাৰণাই খলকনি তুলিছে। প্ৰাচুৰ্য্যৰ পিছত দৌৰিবলৈ বাধ্য কৰোৱা বৰ্তমানৰ সামাজিক পৰিবেশত নৈতিকতাক সমান্তৰালভাবে আগবঢ়াই নিয়াৰ দায়িত্বও যদি আমি যুৱ প্ৰজন্মৰ হাততে অৰ্পণ কৰো তেন্তে হয়তো আমি কোনোৱে সফল হব নোৱাৰিম। এইক্ষেত্ৰত অভিভাৱক তথা শিক্ষাগুৰু সকলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। অভিভাৱকসকলে ঘৰখনত এটা 'সুস্থ পৰিবেশ' ৰক্ষা কৰিবলৈ সদায় চেষ্টা কৰিব লাগিব। তেওংলোকৰ সন্তানক বুজাই দিব লাগিব যে ধুনীয়া ফ্ৰকটোৱে, ধুনীয়া চুৰিদাৰজোৰে, দামী মোবাইল বা দামী বাইকখনে তেওঁলোকক সাময়িকভাবেহে ধুনীয়া বা প্ৰতিপত্তিশীল কৰি তুলিব।, কিন্তু অন্তৰত থকা দয়া-ক্ষমা,নিঃস্বাৰ্থ প্ৰেম ভালপোৱা, উদাৰতাই তেওঁলোকক আজীৱন ধুনীয়া আৰু সম্পদশালী কৰি ৰাখিব।

শিক্ষাগুৰুসকলেও ছাত্ৰ-ছাত্ৰীসকলক 'প্ৰকৃত মানুহ' কৰি গঢ়ি তুলিবলৈ চেষ্টাৰ ত্ৰুটি কৰিব নালাগিব।

২। প্ৰশ্নোত্তৰ ঃ - বৰ্তমানৰ আধুনিক বাস্তৱ জগতত পুৰণি ঐতিহ্য আৰু পৰম্পৰা নৱ প্ৰজন্মই ধৰি ৰাখিব পৰা নাই বুলি মই

নকওঁ। কাৰণ বৰ্তমান পশ্চিমীয়া সংস্কৃতিৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱান্বিত হোৱা যুৱক যুৱতীৰ মাজতো ভোৰতাল, খোল, সত্ৰীয়া, জ্যোতিসংগীত, বৰগীত আদিৰ প্ৰশিক্ষণ লোৱা যুৱক যুৱতী আমাৰ দৃষ্টিগোচৰ হৈছে। বৰ্তমানৰ যুগ প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাৰ যুগত পুৰণি আৰু নতুনৰ সমন্বয় ৰক্ষা কৰিব পৰা জনেই উন্নতিৰ উচ্চতম শিখৰত প্ৰবেশ কৰিব। বিভিন্ন সময়ত দেখো Pop Song গাই বাঃ বাঃ লোৱা যুৱক বা যুৱতী গৰাকীয়ে পিচ মুহূৰ্ততে সুন্দৰ উচ্চাৰণেৰে নিৰ্দ্দিষ্ট গায়নশৈলীৰে বৰগীত, লোকগীত বা চুফী গাব পাৰিছে। ই অতি শুভ লক্ষণ।

সামাজিক সাংস্কৃতিক ক্ষেত্ৰত পৰিবৰ্তন অৱশ্যে হৈছে। এই পৰিবৰ্তন দুই ধৰণে হোৱা বুলি মই ভাবো — Positive আৰু Negative। আজি বিশ্ব সাহিত্য, বিশ্ব সংস্কৃতিৰ বিভিন্ন বিষয়ৰ ওপৰত কৰা পৰীক্ষা নিৰীক্ষাই সামাজিক সাংস্কৃতিক ক্ষেত্ৰখন বহল কৰি পেলাইছে। বিভিন্ন ভাৱৰ বিভিন্ন কলা কৃষ্টিৰ আদান প্ৰদান হৈছে। গতিকে সামাজিক সাংস্কৃতিক ক্ষেত্ৰত কিছু গ্ৰহণ- বৰ্জন হোৱাটো স্বাভাৱিক। স্বকীয় সভ্যতা সংস্কৃতি অক্ষুন্ন ৰাখি, সংস্কৃতিক 'বিজ""ৰীয়া' নকৰাটো আমাৰ দায়িত্ব।

আনহাতে কোনো কোনো ক্ষেত্ৰত শিল্পকৰ্মৰ গভীৰতা কমি যোৱা পৰিলক্ষিত হৈছে। আত্মাৰ সৈতে শিল্পকৰ্মৰ সম্পৰ্ক কমি যোৱা বাবেই এনে হোৱা বুলি আমাৰ ধাৰণা।

৩। উঃ - নৱ প্ৰজন্মলৈ মই কোনো ধৰণৰ বাণী দিব বিচৰা নাই। কাৰণ ময়ো প্ৰবীন আৰু নবীনৰ মাজৰ অৰ্থাৎ সন্ধিক্ষণৰ এজন মানুহ। তথাপিও এষাৰ কথা কওঁ যে নৱ প্ৰজন্মই সমাজৰ, দেশৰ, দহৰ আৰু নিজৰ অস্তিত্ব বিলুপ্ত নোহোৱাকৈ কাম কৰি যাওক। জীৱনত যদি কেতিয়াবা জটিলতাৰ মুখা-মুখী হয় তেতিয়া পলায়নবাদী মনোভাব গ্ৰহণ নকৰি জীৱনৰ স্থিতিৰ প্ৰতি এক সবল প্ৰত্যাহবান ঘোষণা কৰিবলৈ নিজকে সাজু ৰাখক আৰু "কুঁৱাৰ ভিতৰলৈ সোমাই নগৈ সাগৰলৈ দুবাহু প্ৰসাৰিত কৰি দিয়ক।"

**বিশিষ্ট চিকিৎসক মানস প্ৰতীম বৰুৱাদেৱে আমাৰ প্ৰশ্নৰ উত্তৰ এনেদৰে দিলে —**



প্ৰথম প্ৰশ্ন

এই প্ৰশ্নৰ উত্তৰ বিচৰাৰ আগতে আমি নৱ প্ৰজন্মনো কি তাক স্পষ্ট কৰিব লাগিব। মোৰ অনুমান 'Youth' বা নৱ প্ৰজন্ম হ'ল কৈশোৰৰ পৰা পূৰ্ণ যৌৱনপ্ৰাপ্ত হোৱা। এই সময়খিনিত সন্নিবিষ্ট হৈ থকা ব্যক্তিবিশেষকেই আমি নৱ প্ৰজন্মৰ শাৰীত থ'ব পাৰোহঁক। বৰ্তমান আমাৰ সমাজত যদি নৈতিকতাৰ অভাৱ ঘটিছে তেন্তে ই কেৱল আজিৰ প্ৰজন্মই অকস্মাতে সৃষ্টি কৰা হ'ব নোৱাৰে নিশ্চয়। যদি পৰিবৰ্তন ঘটিছে ই নৈতিকতাৰ বাহ্যিক অবয়বটোহে। নৈতিকতাৰ আত্মিক ৰূপটোৰ অৱক্ষয় বহু আগতেই ঘটিছে। উদাহৰণ স্বৰূপে পঞ্চাশোৰ্ধৰ কেইজনমান ব্যক্তিয়ে নামঘৰৰ নাম প্ৰসঙ্গৰ মাজত বহি পৰচৰ্চা কৰাটো অনৈতিক, লাগিলে তেওঁলোকে নামঘৰত প্ৰবেশ কৰোঁতে ধুতি গামোচা পিন্ধাটো এটা অতীৱ পালনীয় বিষয় বুলি যিমানেই নকওক কিয়। অন্যহাতে কলেজৰ পৰা ঘূৰি আহি দুজন যুৱকে লংপেন্ট পিন্ধা অৱস্থাত নামঘৰত প্ৰৱেশ কৰি অতি ভক্তি ভাৱে নাম প্ৰসঙ্গত ভাগ লোৱাটো unconventional হব পাৰে, অনৈতিক নহয়। এই ক্ষেত্ৰত মোৰ অভিমত এয়ে যে ন-পুৰণি সকলো প্ৰজন্মই নৈতিকতাৰ আত্মিক ৰূপটো নিজৰ কামৰ জৰিয়তে প্ৰতিফলিত কৰিব লাগিব।

২ নং উত্তৰ

পৌৰাণিকতাৰ যিটো অংশ বৰ্তমানেও প্ৰচলিত তাক আমি ঐতিহ্যবুলি ধৰোহঁক তাৰেই ৰীতিগত ভাবে পালনীয় দিশটোক পৰম্পৰা বুলি ধৰিব পাৰি যুগ যুগ ধৰি সকলো নতুন প্ৰজন্মকেপৰম্পৰা বিৰোধী বুলি অভিহিত কৰা হৈ আহিছে। অন্যহাতে ঐতিহ্য আৰু পৰম্পৰা সময়ৰ লগে লগে পৰিবৰ্তিত হ'ব পাৰে। তথাপিও Globalisation (বিশ্বায়ন) আৰু Materialism (বস্তুবাদ) ভিন্ন

জাতি উপজাতিৰপৰম্পৰাগত আচাৰ সমূহত বাৰুকৈয়ে প্ৰভাব পেলাইছে। আমাৰ সামজখনো ইয়াৰ ব্যতিক্ৰম নিশ্চয় নহয়। তথাপিও মই নতুন প্ৰজন্মকে ইয়াৰ বাবে দায়ী নকৰো, কিয়নো এনে এক unwarranted, পৰিবৰ্তনৰ (বিশেষকৈ ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত) বীজ নিশ্চয় বহু দশকৰ আগতেই ৰোপন কৰা হৈছিল যেতিয়া আজিৰ প্ৰজন্মটোৰ জন্মই হোৱা নাছিল।

৩ নং উত্তৰ

নতুন প্ৰজন্মই তেওঁলোকৰ কাৰ্য আৰু আচৰণৰ basic moto টো ঠিক এনেদৰণৰ কৰা উচিত ঃ Analytical at the point of acceptance but clinical at the point of exception.

সকলো 'পুৰণি'য়েই dispensable আৰু সকলো নতুনেই acceptable এনে attitude ৰখা উচিত নহয়। অন্য জাতি উপজাতি ভাষা সংস্কৃতিৰ যিবিলাক দিশ গ্ৰহনীয় তেনেবোৰ দিশক ফহিয়াই চাই নিজৰ সংস্কৃতিৰ লগত কৰিব পাৰিব লাগিব। শিষ্টাচাৰ আৰু সহনীয়তাই ব্যক্তিত্ব গঠনৰ মূল মন্ত্ৰ এই কথা যেন নতুন প্ৰজন্মৰ সতীৰ্থ সকলে মনত ৰাখে।

**জবাহৰ লাল নেহৰু মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তথা ভূগোল বিভাগৰ মুৰব্বী অৰুনী কুমাৰ দাসে আমাক ক'লে -**



প্ৰশ্নোত্তৰ - ১

আমাৰ সমাজ ব্যৱস্থাত নৱ প্ৰজন্মৰ নৈতিকতা, নৱ প্ৰজন্মৰ মানবীয় অৱক্ষয়, উশৃঙ্খল যুৱ মানসিকতা আদি অতি স্পৰ্শকাতৰ আৰু বহু চৰ্চিত কথা। আলোচনী, বাতৰি কাকত, ইলেক্ট্ৰনিক মাধ্যম, আনকি বিভিন্ন সভা সমিতিতো এই ধৰণৰ চৰ্চাই অগ্ৰাধিকাৰ পাই আহিছে। নৱ প্ৰজন্মৰ কিছুমান কাৰ্য কলাপে সমাজ ব্যৱস্থাত বহু তো ব্যতিক্ৰমী প্ৰভাব পেলোৱা যেন লাগে যদিও তাকেই পৰম সত্য বুলি কোৱাটো টান। আজিৰ উত্তৰ পুৰুষৰ নৈতিকতা আৰু মানৱীয় প্ৰমূল্য সমূহ বিগলিত হোৱা বুলি কোৱা হয় যদিও ই এটা পৰম্পৰাগত ভাবে যুগে যুগে চলি অহা আপেক্ষিক ধাৰণাহে মাত্ৰ আজিৰ পৰা প্ৰায় ৩০০০ বছৰ আগতে মহান দাৰ্শনিক চক্ৰেটিছেও হেনো কৈছিল সেই একেই কথা, "আজিৰ প্ৰজন্ম আগৰ প্ৰজন্মতকৈ বহু উশৃঙ্খল হ'ল"। সেই অনুৰূপ ধাৰণাৰে পুষ্ট আজিৰ মানুহেও সেইএকেই ধাৰণাকে দোহাৰি আহিছে আৰু হয়তো পৰবৰ্তী সময়তো আজিৰ তথা কথিত নৈতিকতা হীন, মানুৱীয় প্ৰমূল্য হীন, উশৃঙ্খল আদি বিশেষণেৰে অভিহিত সকলে তেওঁলোকৰ উত্তৰ পুৰুষক একেই ভাবাৰে অভিহিত কৰিব।

নৈতিকতাহীন, মানৱীয় প্ৰমূল্যহীন আৰু সমাজত অশুভ পৰম্পৰা সৃষ্টি কৰা লোক যে কেৱল আজিৰ নৱ প্ৰজন্মৰ মাজতেই আছে সেয়া সত্য নহয়। দুস্কৃতি আৰু অধৰ্মৰ প্ৰতীক তাহানিৰ অসুৰ বধৰ জৰিয়তে নিৰ্য্যাতিতক উদ্ধাৰ কৰি ভূমিৰ ভাৰ ৰক্ষা কৰা ভগবানৰ লীলা মহিমাবোৰে তাকেই উল্লেখ কৰে। ধৰা ধামত যেতিয়া ধৰ্মৰ গ্লানি হয়, ভূলুণ্ঠিত হয় সনাতন মানৱ ধৰ্ম তেতিয়াই ভগৱানে সৎ সাধু নিৰীহ জনগণক উদ্ধাৰ কৰিবলৈ ধৰা ধামত অৱতীৰ্ণ হয়। মহাভাৰতত উল্লেখ থকা -

যদা যদাহিধৰ্মস্য গ্লানি ৰ্ভৱতি ভাৰত

অভ্যুত্থানম্ অধৰ্মস্য তদাত্মানং সৃজাম্যহম্"

পৰিত্ৰানায় সাধুনাং বিনাশায় চ দুস্কৃতম্।

ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।

এই বিখ্যাত শ্লোকটিয়ে তাৰেই প্ৰমাণ দাঙি ধৰে।

নৱ প্ৰজন্মৰ মানৱীয় প্ৰমূল্যবোধৰ লগতে নৈতিকতা স্খলন হোৱা বুলি যদি ধৰি লোৱাও হয় তাৰ বাবে নৱ প্ৰজন্মকেই দোষী কৰিব নোৱাৰি। এই ক্ষেত্ৰত প্ৰচলিত সমাজ ব্যৱস্থা আৰু অগ্ৰজ সকলৰ কাৰ্যকলাপে উত্তৰ পুৰুষৰ চৰিত্ৰ গঠনত প্ৰধান ভূমিকা গ্ৰহণ কৰে তাক বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে। সুস্থ পৰিয়াল, এখন সুস্থ সমাজ আৰু পৰিকল্পিত শাসন ব্যৱস্থাইহে নতুন প্ৰজন্মৰ সুস্থ সবল চৰিত্ৰ গঠনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব পাৰে। আজিৰ বস্তুবাদী সমাজ ব্যৱস্থাৰ কেৱল ভোগ বাদী আদৰ্শই প্ৰতিটো পৰিয়ালকে একান্ত একক ভাবে কেৱল আত্মকেন্দ্ৰিক হৈ থাকিবলৈ বাধ্য কৰাইছে। ওচৰ চুবুৰীয়াৰ সুখ দুখৰ প্ৰতি আজিৰ সমাজৰ লোকসকল কেতিয়াও দায়বদ্ধ নহয়। আনকি আমাৰ নিজৰ সতি-সন্তানকো এই ক্ষেত্ৰত সম্পূৰ্ণ উদাসীন হবলৈ উদগণি যোগাইছো। সন্তানৰ মোহ তথা ভোগবাদী চিন্তাই আমাক ইমানলৈ লৈ গৈছে যে সামান্য এটা চকলেট নিজৰ পুত্ৰ কন্যাৰ সমনীয়াৰ সৈতে ভগাই খোৱাৰ শিক্ষা দিয়াৰ বিপৰীতে গোপনে মাতি আনি ঘৰৰ ভিতৰত সংগোপনে অকলে খুৱাইছো। একান্ত স্বাৰ্থপৰ আমাৰ এই কাৰ্য্যই আমাৰ ল'ৰা ছোৱালীৰ মনত কৈশোৰ কালতে একমাত্ৰ নিজৰ বাহিৰে কাকো নিচিনা এটা চৰিত্ৰৰ জন্ম দিয়ে; যি হয়তো পৰবৰ্তী সময়ত নৈতিকতা হীন, মানবীয় প্ৰমূল্যহীন আদি শব্দৰে অগ্ৰজ সকলৰ দ্বাৰাই সমালোচিত হয়। নৱ প্ৰজন্ম ভবিষ্যতৰ আশাৰ আধাৰ, যাক লৈ আমি ভবিষ্যতৰ পৰিকল্পনা কৰো ৰঙীন সপোন দেখো। এই হেন ভবিষ্যত আশাৰ আধাৰ সকলক শুদ্ধ আৰু সঠিক পথেৰে আগুৱাই নিয়াত আমাৰ অগ্ৰজ সকলৰ দায়িত্বও অপৰিসীম। এতিয়া প্ৰশ্ন হয় আজিৰ সমাজ ব্যৱস্থাত, শাসন ব্যৱস্থাত আৰু যান্ত্ৰিক পৰিবেশত নৱ প্ৰজন্ম আশ্বস্ত হব পৰা পৰিকল্পনা আমাৰ হাতত আছেনে নাই? যি সময়ত সমাজৰ কাণ্ডাৰী সকলেই বিভিন্ন দুৰ্নীতি, অনিয়মত লুতুৰি পুতুৰি, তাত নৱ প্ৰজন্মই বিশ্বাস হেৰুৱাই স্বাভাৱিক প্ৰক্ৰিয়াৰ পৰা কিছু পৰিমাণে বিচলিত হোৱাৰো একো অস্বাভাবিক নহয়। গতিকে নৱ প্ৰজন্ম ৰ ভবিষ্যত সুৰক্ষিত কৰিব পৰা পৰিকল্পনা নিশ্চিত কৰিব পাৰিলে এই হেন প্ৰশ্নৰ অৱতাৰণা হয়তো নহব।

নৱ প্ৰজন্ম বুলি কওতে প্ৰধানতঃ আজিৰ যুৱ প্ৰজন্মকহে কোৱা হয়। সমাজৰ বৃহত্তৰ আশাক প্ৰতিনিধিত্ব কৰা এই চাম লোক প্ৰকৃততেঅফুৰন্ত শক্তিৰ অধিকাৰী। এই শক্তিক গঠন মূলক কামত প্ৰয়োগ কৰাৰ দায়িত্ব সমাজৰ কাণ্ডাৰী সকলৰ আৰু যদি প্ৰকৃত, স্বাৰ্থহীন পৰিকল্পনাৰে এই চাম লোকক গঠন মূলক কামত প্ৰবৃত্ত কৰিব পৰা যায় তেন্তে সমাজ তথা দেশৰ উন্নতিঅৱশ্যম্ভাৱী।

প্ৰশ্নোত্তৰ - ২

"Culture is the some total behaviour of human being" মানুহৰ দৈনন্দিন কাম-কাজ কৰাৰ ধৰণ, খোৱা-বোৱা, পিন্ধা-উৰা,ফুৰা-চকা ইত্যাদিৰ সমষ্টিয়েই সংস্কৃতি। পৰিবৰ্তনশীল সমাজ ব্যৱস্থাত মানুহৰ সংস্কৃতিৰ পৰিবৰ্তন শাশ্বত। বিশ্বায়ন আৰু উদাৰীকৰণৰ নীতিয়ে গোটেই পৃথিৱী খনকে এখন সৰু গাঁওলৈ পৰিবৰ্তন কৰিছে যাৰ ফলত তাহানিৰ একক সাংস্কৃতিক পৰিমণ্ডলৰ পৰিধি ভাঙি স্থানীয় সংস্কৃতি বিশ্ব সংস্কৃতিলৈ পৰিবৰ্তন হবলৈ ধৰিছে। পৰিবৰ্তনৰ এই সোঁতৰ লগত আজিৰ প্ৰজন্মই সহাৱস্থান কৰিবলৈ বাধ্য হৈছে। বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ ন ন আবিষ্কাৰে আজিৰ মানবৰ সমাজ ব্যৱস্থাত অদ্ভুত পৰিবৰ্তন সাধিছে। প্ৰাক ঐতিহাসিক যুগৰ গুহা মানবৰ সমাজ ব্যৱস্থাৰ পৰা আৰম্ভ কৰি আজিৰ একবিংশ শতিকাৰ Sattelite যুগলৈ মানুহৰ সমাজ তথা সাংস্কৃতিক দিশত আমূল পৰিবৰ্তন সাধিত হৈছে। পৰিবৰ্তনৰ এই ঢৌৰ সৈতে সহাৱস্থান কৰাটো মানুহৰ এটা জন্মগত স্বভাৱ — কাৰণ মানুহে চিন্তা কৰিব পাৰে, মানুহে পছন্দ কৰিব জানে।

পৰিবৰ্তনশীল সমাজত সংস্কৃতিয়ে কেতিয়াও নিজস্ব আৰু স্থায়ী ৰূপত থাকিব নোৱাৰে। সংস্কৃতিৰ ৰূপ দান দিয়ে সময়ে। গতিকে সময়ৰ লগত খোজ মিলাই যোৱা নৱ প্ৰজন্মই কেৱল পুৰণিকে আকোৱালী ধৰি থকাটো বাস্তৱত সম্ভৱ নহয়। আজিৰ

প্ৰজন্মই আহৰণ কৰা আৰু পৰিগ্ৰহণ কৰি থকা সংস্কৃতি আচলতে এটা তৃতীয় সংস্কৃতি বুলি কব পাৰি। আমেৰিকাৰ প্ৰখ্যাত সমাজবিজ্ঞানী ড° ৰূথহীল উছিনে দিয়া ধাৰণা অনুসৰি পিতৃ-মাতৃৰ সংস্কৃতিৰে ডাঙৰ দীঘল হোৱা এটা সন্তানে নিজৰ স্ব-সংস্কৃতিৰ সৈতে যি প্ৰক্ৰিয়াৰে সম্পৰ্ক স্থাপন কৰে সেয়াই তৃতীয় সংস্কৃতি। আজিৰ প্ৰজন্মই পিতৃ-মাতৃৰ সংস্কৃতিত থাকি লালিত পালিত হোৱাৰ পাচত জীৱনৰ এটা গুৰুত্বপূৰ্ণ সময় পিতৃ মাতৃৰ সংস্কৃতিৰ পৰা নিলগত থাকি আন সংস্কৃতিৰ সান্নিধ্যত কটায় আৰু এটি সংস্কৃতিৰ জন্ম দিয়ে যাক তৃতীয় সংস্কৃতি বুলি অভিহিত কৰিব পাৰি। বিখ্যাত সমাজবিজ্ঞানী ডেভিদ পোলকৰ মতে নৱ প্ৰজন্মই ঘৰৰ আৰু বাহিৰৰ সকলো সংস্কৃতিৰ সৈতে সম্পৰ্ক স্থাপন কৰে কিন্তু কোনো এটাকে স্বকীয় সংস্কৃতি হিচাপে ধাৰণ কৰিব নোৱাৰে। প্ৰকৃতাৰ্থত বহুতো সংস্কৃতিৰ সান্নিধ্যত এওলোকৰ জীৱনত নানা সংস্কৃতিৰ বৈচিত্ৰতাৰ সংমিশ্ৰণ ঘটে। নৱ প্ৰজন্মৰ বৈচিত্ৰতাময় সংস্কৃতিয়ে পিতৃ-মাতৃ সংস্কৃতিৰ সৈতে একাত্ম হব নোৱাৰাৰ ফলত অগ্ৰজ সকলৰ দৃষ্টিত সেয়া অপসংস্কৃতি, হিচাপে দেখা দিয়ে। সংস্কৃতিৰ পৰিবৰ্তন, পৰিবৰ্দ্ধন আৰু বিকাশ এটা নিৰন্তৰ আৰু স্বাভাৱিক প্ৰক্ৰিয়া আৰু ই যুগে যুগে চলিয়েই আছে আৰু চলিয়েই থাকিব।

প্ৰশ্নোত্তৰ - ৩

নৱ প্ৰজন্মলৈ বাণী দিব পৰা সামৰ্থ মোৰ যে নাই তাক মই গভীৰ ভাবে বিশ্বাস কৰো। কিন্তুএই প্ৰসঙ্গত অসমৰ বিখ্যাত সংগীতজ্ঞ, গীতিকাৰ আৰু সুৰকাৰ ড° ভূপেন হাজৰিকাৰ লগতে জয়ন্ত হাজৰিকাই নতুন প্ৰজন্মলৈ বুলি গোৱা এটি গীতৰ কলি উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো।

মুকুতিৰ চিন্তাক যেতিয়া আৱৰে
পুৰণি চিন্তাৰ মকৰা জালে
নতুন পুৰুষে নিয়ে সমাজ গতিক
নতুন নতুন পন্থাৰ ফালে।
অগণম উজ্বল দেখা সুপুৰুষ
আৰু আশা ভৰা দৃষ্টিৰ গাভৰুৰ মুখ
মানস পটত আজি জিলিকি উঠে
সেয়ে মোৰ মৰমৰ নতুন পুৰুষ।

# জিলা পৰিবহন বিষয়া শ্ৰীযুত দিগন্ত বিশ্ব শৰ্মাই আমাৰ প্ৰশ্নৰ উত্তৰত এইখিনি ক'লে -



'নব প্ৰজন্ম'ৰ মাজত নৈতিকতাৰ যথাৰ্থ প্ৰতিফলন- কিন্তু কিয় 'নব প্ৰজন্ম'ৰ বিষয়ে বিশেষভাবে চৰ্চা কৰিব বিচৰা হৈছে ? সমাজৰ অন্য অংশকো বিষয়টোৰে সামৰি নললে কিয় ? কাৰণ- নৈতিকতা এটা সাৰ্বজনীন বিষয়।

নৈতিকতা শব্দটোৰ মূল হ'ল- নৈতিক। অৰ্থাৎ নীতি, ৰীতি, নিয়ম অথবা নীতি সম্বন্ধীয়। সেয়ে নৈতিক, নৈতিকতা ইত্যাদি কথাবোৰ দৰাচলতে মানৱ সভ্যতাৰ সামগ্ৰীক জীৱন দৰ্শনৰ ওপৰত নিৰ্ভৰশীল। মানৱ চেতনাৰ পৰ্য্যায়ৰ দ্বাৰা প্ৰভাবিত। সাম্প্ৰতিক সময়ৰ যুগদৰ্শন-যুগচেতনাৰ প্ৰবল ধাৰাটোৰ সৈতে বিশ্বমানবৰ নৈতিকতা অৰ্থাৎ নীতি, ৰীতি, নিয়ম ইত্যাদিৰ মৌলিক তেনেধৰণৰ বিশেষ অসামঞ্জস্য আমি প্ৰত্যক্ষ কৰা নাই। সকলো কথাৰ দৃষ্টিভঙ্গী যদি অৰ্থনীতি আৰু ৰাজনীতিয়ে নিয়ন্ত্ৰণ কৰে- তেনেহলে নৈতিকতাৰ ধাৰণাও তেনেধৰণৰ হব। আকৌ আমাৰ দৃষ্টিভঙ্গী যদি সাংস্কৃতিক হয়- তেনেহলে অন্য এক নৈতিকতাৰ ধাৰণাই আমাৰ জীৱনক প্ৰভাবিত কৰিব।

প্ৰনিধাণযোগ্য কথাটো হ'ল- বিবৰ্তনৰ প্ৰক্ৰিয়াত মানুহে লাভ কৰা মানসিক চেতনা সৰ্বোচ্চ চেতনা নহয়। মানসিক চেতনাৰ উৰ্দ্ধমুখী বিবৰ্তন হব। তেতিয়া সেই চেতনাই আমাৰ জীৱনদৰ্শন অথবা যুগদৰ্শনক প্ৰভাবিত কৰিব। পৰিণতিত আমাৰ নৈতিকতা তথা প্ৰমূল্যবোধৰ ধাৰণাও পৰিবৰ্তিত হব।

২) মানব ঐতিহ্য, সংস্কৃতিৰ ভিত্তি নিৰ্মিত হয় মানুহে মানুহ সম্পৰ্কে কৰা ধাৰণাৰ ওপৰত। শৰীৰ, মন আৰু আত্মা- এই তিনিটাই মানুহৰ সত্বা। কিন্তু যদি অকল শাৰীৰিক সত্বাক গুৰুত্ব দিয়া হয়- তেতিয়া একধৰণৰ মানব সংস্কৃতি গঢ়ি উঠে। আকৌ শৰীৰ তথা মন দুয়োটা সত্বাকেই যদি স্বীকাৰ কৰা হয়-তেতিয়াও আন এক সংস্কৃতি গঢ় লৈ উঠে।

কিন্তু শৰীৰ, মন আৰু আত্মা - এই তিনিওটা সত্বাৰেই মাজত থকা স্বাভাবিক সামঞ্জস্য আবিস্কাৰ কৰি তাক ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব দিলে অন্য একধৰণৰ সংস্কৃতিৰ ভেটি নিৰ্মাণ হয়।

শাশ্বত বাবেই ভাৰতীয় সংস্কৃতিয়ে শৰীৰ,মন আৰু আত্মা -মানবৰ এই তিনিওটা সত্বাকেই স্বীকাৰ কৰে। কাৰণ এই শাশ্বত সত্যৰ উপলব্ধি আৰু চৰিতাৰ্থতাৰ ওপৰতেই নিহিত হৈ আছে মানৱৰ উত্তৰণৰ পথৰ সন্ধান - মানৱৰ পৰা দেৱত্বলৈ।

কেৱল মাত্ৰ নবপ্ৰজন্ম ৰ ওপৰত বিশেষভাবে এই সন্দৰ্ভত মন্তব্য দিয়াটো কেৱল মাত্ৰ ভ্ৰান্তিকাৰকেই নহব - উচিতো নহয়। সেইসকল ভাৰতীয় যি সকলে মানবসত্বাৰ এই ত্ৰিগুনাত্মক সত্যৰ সত্যক স্বীকাৰ কৰে- তেওঁলোকে নিশ্চিতভাবে ভাৰতীয় ঐতিহ্য পৰাম্পৰা অনুসৰি জীৱন নিৰ্বাহ কৰিবলৈ প্ৰয়াস কৰে।

পুনৰ কওঁ - যুগদৰ্শন,যুগসভ্যতাৰ চেতনাৰ পৰ্য্যায়েহে মানুহক প্ৰভাবিত কৰে। সেয়ে সমকালীন যুগদৰ্শন- যুগসভ্যতাৰ চেতনাৰ পৰ্য্যায়টোৰহে নিৰ্মোহ বিশ্লেষণ হোৱাটো প্ৰয়োজনীয়।

৩) যি শাশ্বত, যি সত্য তাৰ সন্ধান কৰা আৰু জীৱনত সেই সত্যক চৰিতাৰ্থ কৰাটোৱেই মানৱ জীৱনৰ লক্ষ্য হোৱা উচিত। শৰীৰ,মন আৰু আত্মাৰ মাজত থকা স্বাভাবিক সামঞ্জস্য আবিষ্কাৰ কৰা আৰু তাক ৰক্ষা কৰিব পৰাটোৱে আমাক এই সত্যৰ সন্ধান দিব। সেয়ে আমি বিশ্বাস কৰো - ভাৰতীয় সংস্কৃতিৰ স্বৰূপ বুজিব পাৰিলেই আমি এই সত্যৰ সন্ধান পাম। এই সত্যক নিজৰ জীৱনত চৰিতাৰ্থ কৰিব পাৰিলেই আমাৰ মানসিক চেতনাৰো উৰ্দ্ধমুখী বিবৰ্ত্তন সহজ আৰু সম্ভৱ হৈ উঠিব।

— ০০০ —

# আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিবাগৰ মূৰব্বী অধ্যাপিকা ৰুমিতা ফুকনে আমাৰ প্ৰশ্নৰ উত্তৰ দিলে এনেদৰে—



'নৈতিকতা' বুলিলে সুস্থ চিন্তাধাৰাৰে সমৃদ্ধ ব্যক্তিসত্বাক বুজায়। নম্ৰতা, সত্যনিষ্ঠা, সংহতিপূৰ্ণ মনোভাৱ আৰু আত্ম নিয়ন্ত্ৰন ক্ষমতা এই আটাইকেইটা মানৱীয় প্ৰমূল্যৰ সংমিশ্ৰনতেই ব্যক্তিৰ নৈতিক চৰিত্ৰ গঢ় লৈ উঠে।

সেইদৰে নৱ প্ৰজন্ম বুলিলে বৰ্ত্তমান উঠি অহা যুৱক-যুৱতী সকলকেই বুজোৱা হয়। এতিয়া প্ৰশ্ন হল, বৰ্ত্তমান-নৱপ্ৰজন্মই নৈতিকতা তথা মানৱীয় প্ৰমূল্য সমূহ আজিও ধৰি ৰাখিব পাৰিছেনে নাই। ইয়াৰ উত্তৰ হিচাবে একে এষাৰতেই কৱ পাৰি যে বৰ্ত্তমান যুৱক-যুৱতী সকলে মানৱীয় প্ৰমূল্য সমূহ ধৰি ৰাখিব পৰা নাই। নৱ প্ৰজন্মৰ ওপৰত উল্লেতি নৈতিকতা গুণৰ অভাৱতেই সমাজত নানা ধৰণৰ অসামাজিক, অনৈতিক আৰু অগণতান্ত্ৰিক কাৰ্য্য কলাপ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। মানৱীয় প্ৰমূল্যৰ অভাৱতেই উঠি অহা নৱ-প্ৰজন্মই অভিভাৱক তথা পিতৃ-মাতৃ,সমাজৰ বয়োজ্যেষ্ঠ লোকসকলৰ প্ৰতি বহু সময়ত বিৰূপ আচৰণ প্ৰদৰ্শন কৰা পৰিলক্ষিত হয়। অৱশ্যে ইয়াৰ বাবে বহু সময়ত দায়ী পিতৃ-মাতৃ, সমাজৰ গুৰিয়াল আৰু কিছু পৰিমাণে শিক্ষক-শিক্ষয়িত্ৰী সকলো।

শিশু অৱস্থাতেই শৰীৰ মন উভয়তে ঘৰুৱা পৰিৱেশত মানৱীয় প্ৰমূল্য সমূহৰ শিক্ষা দিয়াতো পিতৃ-মাতৃৰ গুৰুত্বপূৰ্ণ দায়িত্ব। শিক্ষক-শিক্ষয়িত্ৰী সকলেও শিক্ষানুষ্ঠানৰ বিভিন্ন শৈক্ষিক আৰু অনা শৈক্ষিক কাৰ্য্যকলাপৰ জৰিয়তে লৰা-ছোৱালীক নৈতিক গুণসমূহ বিকাশৰ বাবে শিক্ষা দিব লাগে। লগতে সামাজিক ব্যক্তিহিচাবে প্ৰত্যেক যুৱক-যুৱতীক গঢ়ি তোলাৰ দায়িত্বও বয়োজ্যেষ্ঠসকলৰ ওপৰত আছে।

কিন্তু বৰ্ত্তমান যান্ত্ৰিক সমাজৰ মেৰপাকত সমাজৰ জ্যেষ্ঠজন, শিক্ষক-শিক্ষয়িত্ৰী আনকি কিছুসংখ্যক পিতৃ-মাতৃয়েও ধন, মান সম্পত্তিৰ খাতিৰত নিজৰ সন্তানৰ শিক্ষা দীক্ষা, মানৱীয় প্ৰমূল্য আৰু সুস্থ আচৰণৰ বিকাশত মনোনিবেশ কৰা দেখা নাযায়।যাৰ ফলত লৰা ছোৱালীয়ে উচ্ছৃংখল জীৱন যাপন কৰা পৰিলক্ষিত হৈছে; গতিকে এই কথা স্পষ্টকৈ ক'ব পাৰি যে নৱ প্ৰজন্মৰ মানৱীয় প্ৰমূল্য স্খলনৰ বাবে আমি সমাজৰ গুৰিয়াল সকলেই বহু পৰিমাণে দায়ী।

এটা জাতি বা এখন সমাজ জীয়াই থকাৰ প্ৰথম চৰ্ত্তটোৱে হ'ল ঐতিহ্য, পৰম্পৰা আৰু সংস্কৃতি। সামাজিক দিশত বিকাশ হবলৈ,পুৰণি ঐতিহ্য আৰু পৰম্পৰাৰ সম্পৰ্ক যেন পইচাটোৰ ইপিঠি আৰু সিপিঠি। এখন আধুনিক সমাজৰ প্ৰকৃত প্ৰতিচ্ছবি প্ৰকাশ পায় ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতিফলনেৰে। প্ৰশ্ন হয় আধুনিক বাস্তৱ সমাজত নৱ প্ৰজন্মই এই পুৰণি ঐতিহ্য আৰু সংস্কৃতি ধৰি ৰাখিব পাৰিছেনে ?

এই ক্ষেত্ৰতো এটা নেতিবাচক উত্তৰহে আমাৰ মনত উদয় হয়। কাৰণ দেখা যায় যে বৰ্ত্তমান নৱ-প্ৰজন্মৰ বেছি সংখ্যকে পশ্চিমীয়া সভ্যতা সংস্কৃতিৰ মাজত ডুব গৈ পুৰণি ঐতিহ্য আৰু সংস্কৃতি সম্পূৰ্ণৰূপে অবহেলা কৰা দেখা যায়। যিটো ভৱিষ্যত দেশৰ বাবে এক ভয়ংকৰ প্ৰত্যাহবান। ইয়াৰ লগতে এটা কথা ক'ব লাগিব যে কিছু সংখ্যক আদৰ্শৱান পিতৃ-মাতৃৰ সন্তানে আধুনিক জগতৰ লগত খাপ খাৱলৈ যাওঁতে পুৰণি ঐতিহ্য আৰু সংস্কৃতিক আদৰি লোৱাও পৰিলক্ষিত হয়। তথাপিও এটা কথা স্পষ্টকৈ ক'ব পাৰি যে বৰ্ত্তমান দেশৰ সংকটপূৰ্ণ অৱস্থাত নৱ-প্ৰজন্মই পুৰণি ঐতিহ্য আৰু সংস্কৃতি সংৰক্ষণ আৰু বিস্তাৰত ব্ৰতী হ'ব নোৱাৰিলে দেশৰ ভৱিষ্যত অন্ধকাৰছন্ন হোৱাৰ সম্ভাৱনাই বেছি।

সামাজিক সাংস্কৃকি ক্ষেত্ৰত অহা পৰিবৰ্ত্তনৰ কথা ক'বলৈ গ'লে আগতে উল্লেখ কৰা পশ্চিমীয়া সংস্কৃতিৰ পয়োভৰৰ কথাই ক'ব লাগিব। বৰ্ত্তমান দেশৰ ক'লা সংস্কৃতি সামাজিক চাল-চলন সকলোতেই দেশীয় ভাবধাৰাৰ পৰিবৰ্ত্তে পাশ্চাত্যৰ প্ৰভাবে ছানি ধৰা পৰিলক্ষিত হৈছে। যি দেশৰ অস্তিত্ব ৰক্ষাত হেঙাৰ সৃষ্টি হোৱাৰ সম্ভৱনাই বেছি।

নৱ প্ৰজন্মৰ প্ৰতি মোৰ এটাই আহবান যাতে তেওঁলোকে সময়ৰ মূল্যৰ প্ৰতি সজাগ হৈ নিজৰ জীৱন সুস্থভাৱে গঢ়ি তোলাৰ লগতে সমাজ তথা দেশৰ হিত সাধনত অৱদান আগবঢ়াব পাৰে তাৰ বাবে নিজক প্ৰস্তুত কৰি তুলিবলৈ চেষ্টা কৰা উচিত।

ooo

আমাৰ মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ কৰুণা কলিতাই আমাৰ প্ৰশ্নৰ উত্তৰ দিলে এনেদৰে –



উত্তৰ ঃ - মই ভাবো 'নৈতিকতা' শব্দটোৰ যথাৰ্থতা আৰু প্ৰাসঙ্গিকতা সমাজত সদায়েই বিদ্যমান। নৈতিকতা বুলিলে মই মানুহ এজনৰ নিজকে দৈহিক, মানসিক আৰু আধ্যাত্মিক দিশত সুস্থভাবে পৰিচালিত কৰিব পৰা জ্ঞানকেই বুজো। কিন্তু বৰ্তমান সমাজত নৈতিকতা বা মানৱীয় প্ৰমূল্য সমূহৰ প্ৰাৱল্য (Intensity) হ্ৰাসমান হোৱা দেখা গৈছে। আজিৰ নৱ প্ৰজন্মই নিজকে আধুনিক মনৰ বুলি চিনাকি দিয়ে। কিন্তু প্ৰায়ক্ষেত্ৰত আধুনিকতাৰ নামত এক উদণ্ড মানসিকতাৰপৰিচয়হে পোৱা যায়। আজিৰ যুৱ চামৰ শৈক্ষিক লক্ষ্য হ'ল চিকিৎসক বা অভিযন্তা নহ'লে কোনো বহুজাতিক কোম্পানীৰ বিষয়া হোৱা। জ্ঞান অৰ্জনৰ কথা কোনো যুৱক যুৱতীৰ মুখত শুনা নাযায়। শিক্ষাৰ জৰিয়তে বৃত্তিগত স্বাৱলম্বীতা বাঞ্ছনীয় যদিও ইয়াক একমাত্ৰ উদ্দেশ্য বুলি গ্ৰহণ কৰাটো উচিত বুলি মই নাভাবো। শিক্ষাৰ দৈহিক, মানসিক আৰু আধ্যাত্মিক লক্ষ্যৰ কথা যেন আজিৰ প্ৰজন্মই পাহৰি পেলাইছে। ইমানবোৰ কাৰণ থকা সত্বেও আজিৰ নৱ প্ৰজন্মই নৈতিকতাৰ যথাৰ্থতা সম্পূৰ্ণৰূপে হেৰুৱাই পেলোৱা বুলি মই কব নেখোজো। ইয়াৰ সপক্ষে দুটা উল্লেখযোগ্য যুক্তি দৰ্শোৱা হ'ল –

(১) সাম্প্ৰতিক সময়ক কোনো পধ্যেই পূৰ্ববৰ্তী সময়ৰ লগত তুলনা কৰিব নোৱাৰি। আজিৰ পৃথিৱী তথ্য প্ৰযুক্তিৰ জৰিয়তে ইমান আগবাঢ়ি গৈছে যে বহুবছৰ ধৰি 'মটৰনিউৰণ' ৰ দৰে দুৰাৰোগ্য ৰোগত ভুগি থকা আৰু জড়প্ৰায় শৰীৰ লাভ কৰা ব্যক্তি এজনৰ (ষ্টিফেন হকিঙ) বাবেও মহাকাশ ভ্ৰমণ সম্ভৱ। আনহাতে ইলেক্ট্ৰনিক মেডিয়াই চৌপাশে প্ৰদৰ্শন কৰিছে কেৱল হিংসা, বিদ্বেষ, অশ্লীল-যৌনতা। ইয়াৰ উপৰিও আজিৰ সমাজত লোপ পাইছে সম্পৰ্কৰ মাজত আবেগিক টান। গতিকে এনেকুৱা এক বিশৃঙ্খল সামাজিক পৰিস্থিতিত চালুকীয়া মনৰ নৱ প্ৰজন্মৰ পৰা সম্পূৰ্ণ নৈতিক সুস্থতা কামনা কৰাটো কিমান যুক্তিসংগত? কিন্তু এনেকুৱা উচ্ছৃঙ্খল পৰিবেশতোএকাংশ যুৱক-যুৱতী অৰ্থনৈতিক দিশত স্বাৱলম্বী, পৰিবেশৰ গুৰুত্বৰ প্ৰতি সচেতন আনকি আধ্যাত্মিক দিশতো আগবঢ়া। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষক বিশ্বশ্ৰেষ্ঠ কৰি গঢ়ি তোলাৰ এক মহান লক্ষ্য বাস্তৱায়িত কৰাৰ পথত ভাৰতৰ এক সুযোগ্য সন্তান স্বামী ৰামদেৱক হেজাৰ হেজাৰ যুৱক-যুৱতীয়ে সম্পূৰ্ণ দেশপ্ৰেম আৰু আধ্যাত্মিক ভাবনাৰে সহযোগ কৰিছে।

(২) বৰ্তমান যুগ এক সম্পূৰ্ণ বস্তুকেন্দ্ৰিক (Materialistic) যুগ। চাৰিওদিশে কেৱল বিলাসিতাৰ প্ৰতিযোগিতা। আজিৰ মাক দেউতাকে বিচাৰে নিজৰ সন্তান প্ৰতিপত্তিশালী হওঁক। বেলেগ একো নহলেও সন্তানৰ জীৱন বিলাসী হওঁক। অভিভাবকে নিজৰ ল'ৰা-ছোৱালীৰ পৰা বিচাৰে কেৱল ১০০ ৰ ভিতৰত ১০০ নম্বৰ। মেট্ৰিকত প্ৰথম বিশটাৰ ভিতৰত স্থান লাভ, উচ্চতৰ মাধ্যমিক (হায়াৰ চেকেণ্ডেৰী) প্ৰথম দহটাৰ ভিতৰত স্থান লাভ, পিচত মেডিকেল বা ইঞ্জিনিয়াৰিং লাইনত গৈ এটা শকত দৰমহাৰ চাকৰি, সম্ভ্ৰান্ত ঘৰত বিয়া-বাৰু, মহানগৰত ফ্লেট-গাড়ী লৈ সমাজত উচ্চ স্থান লাভ। থুলমূলকৈ এয়াই হ'ল আজিৰ পিতৃ-মাতৃয়ে নিজৰ সন্তানক দিয়া জীৱনৰ ধাৰণা। কিন্তু এনেকুৱা শিক্ষালাভ কৰাৰ পিচতো আজি বহুতো যুৱক-যুৱতীয়ে 'N.G.O.' প্ৰতিষ্ঠা কৰি নিস্বাৰ্থভাৱে সমাজসেৱা কৰিবলৈ আগবাঢ়ি আহিছে, চৌদিশে বৃক্ষৰোপন কৰি ফুৰিছে। আমিনুৰ ৰহমানৰ দৰে লেখক সাংবাদিকে বস্তুবাদী মানসিকতা এৰি নিজৰ জীৱনকো তুচ্চ জ্ঞান কৰি মুক্তস্বৰে সন্ত্ৰাসবাদৰ প্ৰতিবাদ কৰিছে। অখিল গগৈৰ দৰে যুৱক এজনে (কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক) প্ৰত্যক্ষৰূপত দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰিছে। এনেবোৰ কাৰ্যই আজিৰ সমাজৰ একাংশ যুৱক-যুৱতীৰ নৈতিকতা আৰু সুস্থ মানসিকতা লগতে মানৱীয় প্ৰমূল্যসমূহৰ সঠিক মূল্যায়ণৰ চানেকি বহন নকৰেনে ?

শেষত কব বিচাৰিছো কাহানিও কোনো সমাজত নৈতিকতা সম্পূৰ্ণ ৰূপত বৰ্তি নাছিল আৰু অদূৰ ভৱিষ্যতেও এয়া সম্ভৱ হৈ নুঠিব। ভগৱান শ্ৰীৰাম-কৃষ্ণৰ দিনতো সমাজত অনৈতিক কাৰ্য সংঘটিত হৈছিল। গতিকে আমি আশাবাদী হোৱা উচিত আৰু ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়ি বিদ্যালয়ৰ লগতে ঘৰুৱা পৰিবেশতো নৈতিক আৰু মূল্যবোধৰ (Moral and Value education) শিক্ষাৰ প্ৰসাৰত গুৰুত্ব দিলে এখন নৈতিকভাবে শক্তিশালী সমাজৰ অৱস্থিতি সাম্প্ৰতিক সময়তো সম্ভৱ।

২। আমি সকলোৱে এটা সত্যৰ লগত সুপৰিচিত। এই সত্যটো হ'ল যে পৰিৱৰ্তনেই হ'ল এই জগতৰ একমাত্ৰ স্থায়ী পৰম্পৰা। পৰিৱৰ্তনৰ বাহিৰে এই পৃথিৱীত একোৱেই স্থায়ী নহয় আৰু কেতিয়াও হবও নোৱাৰে। গতিকে সাম্প্ৰতিক বাস্তৱ জগতত পুৰণি ঐতিহ্য আৰু পৰম্পৰাক অপৰিৱৰ্তনীয় ৰূপত জীয়াই ৰখাটো কঠিনেই নহয় অমূলক বুলিও মোৰ ধাৰণা। সাংস্কৃতিক পৰম্পৰাৰ এটি অন্যতম অংগ হ'ল সংগীত। সেয়েহে সাংস্কৃতিক পৰম্পৰাৰ পৰিৱৰ্তনৰ এটি উদাহৰণ হিচাপে অসমীয়া সংগীতৰ ক্ষেত্ৰখনত হোৱা পৰিৱৰ্তনৰ কথাকেই কব পাৰি। সেই তাহানিৰ লোকগীতবোৰ, বৰগীতবোৰ আজিৰ প্ৰজন্মৰ শিল্পীসমূহে নৱৰূপত শ্ৰোতাৰ সন্মুখত উপস্থাপন কৰিছে। আনহাতে আজিৰ অসমীয়া সংগীতৰ ক্ষেত্ৰখনত হোৱা নৱতম সংযোজন হ'ল "Fusion" । অসমীয়া কথাৰ এটি গীতৰ মাজত ইংৰাজী কথাংশ (iyrics) অৰ্ন্তভুক্ত কৰি সৃষ্টি কৰা দ্বিভাষী ধাৰাৰ গীতবোৰক "Fusion" বুলি কোৱা হয়। এইবোৰত হোৱা ভুল ভ্ৰান্তিবোৰ আতৰাই ইতিবাচক দৃষ্টিভঙ্গীৰে নতুনত্বক আদৰি লোৱাই শ্ৰেয়।

এইখিনিতে উল্লেখকৰা সমীচিন হ'ব যে সাংস্কৃতিক পৰম্পৰাজনিত পৰিৱৰ্তন আকাংক্ষিত আৰু প্ৰশংসীয় নহয়। যেনে আজিকালি কিছুমান অশ্লীল যৌনগন্ধী কথাংশ ব্যৱহাৰ কৰি যি পৰিৱৰ্তন অনাৰ চেষ্টা কৰা হৈছে সেয়া স্পষ্টৰূপত নিন্দনীয় আৰু তৎকালীন ভাবে বৰ্জনীয়। সকলোবোৰ পৰিৱৰ্তন হোৱা উচিত উত্তৰণৰ স্বাৰ্থত(For the of sake betterment)। আজিকালি একাংশ যুৱক-যুৱতীয়ে পাৰ্টি কৰি, পাৰ্কত ঘুৰি, ইন্টাৰনেটত পৰ্ণগ্ৰাফী উপভোগ কৰি, বিলাতী সুৰা, ড্ৰাগচ গ্ৰহণ কৰি পৰিৱৰ্তিত আৰু আধুনিক হোৱাৰ দাবী কৰে। কিন্তু সেয়া আধুনিকতা বা পৰিৱৰ্তন নহয় বৰঞ্চ এক বিকৃত মানসিকতা আৰু প্ৰকৃত অজ্ঞানতাৰ এক প্ৰদৰ্শন মাত্ৰহে। আধুনিকতা মানে হ'ল নিজক এক গোলকীয় Global) ৰূপত গঢ়ি তোলা। অৰ্থাৎ বিশ্বমুখী চিন্তাধাৰাৰ উদ্‌গীৰণেই হৈছে আধুনিকতা (Modernisation)। নিজকে এই বিশ্বৰ এক গুৰুত্বপূৰ্ণ অংগ বুলি বিবেচনা কৰি সমগ্ৰ পৃথিৱীৰ সকলো দিশৰ উত্তৰণ ঘটোৱাত নিজকে লিপ্ত কৰোৱাটোহে প্ৰকৃত আধুনিক হোৱাৰ চানেকি। শেষত কব খুজিছো যে সময়ৰ অগ্ৰগতিৰ লগে লগে সাংস্কৃতিক পৰম্পৰাৰ পৰিৱৰ্তন নিতান্তই বাঞ্চনীয়। এই পৰিৱৰ্তন সমূহৰ ভাল বেয়া বিচাৰ কৰি ইয়াক সংশোধিত ৰূপত আকোঁৱালি লৈ সময়ৰ খোজত খোজ মিলাই আগবাঢ়ি যোৱাটোহে আমাৰ কাম্য।

৩। মই মানৱ জীৱনক এই পৃথিৱীৰ আটাইতকৈ মূল্যবান সম্পদ বুলি ভাবো। গতিকে মই মোৰ জীৱনক পূৰ্ণ ৰূপত উপভোগ কৰাৰ উপৰিও সফলতাৰ শিখৰত আৰোহণ কৰা ক্ষেত্ৰত ব্যৱহাৰ (Utilise) কৰিম বুলি দৃঢ়প্ৰতিজ্ঞ। মই এনে এজন সফল ব্যক্তি হব বিচাৰো যিজনে নিজৰ কৰ্তব্য সম্পূৰ্ণ ৰূপত পালন কৰিব পাৰিছে। মোৰ মানত ভগৱান শ্ৰীকৃষ্ণই 'শ্ৰীমদ্‌ভাগৱত' গীতাত কোৱাৰ দৰে কৰ্তব্য সম্পাদনাই হৈছে মানৱ জীৱনৰ অৰ্থ, সৰ্বোত্তম সফলতা। এজন ব্যক্তিৰ বিভিন্ন পৰিস্থিতিত বিভিন্ন বিষয়ৰ প্ৰতি কৰ্তব্যও ভিন ভিন হয়। ইতিমধ্যে মই মোৰ জীৱনৰ কৰ্তব্য বিভাজন কৰিছোহঁক। মোৰ বিবেচনাত মোৰ কৰ্তব্য হ'ল এনেধৰণৰ -- পুত্ৰ হিচাপে মা-দেউতা আৰু মোৰ পৰিয়ালৰ প্ৰতি, বন্ধু হিচাপে বন্ধুমহলৰ প্ৰতি, ব্যক্তি হিচাপে সমাজৰ প্ৰতি, নাগৰিক হিচাপে দেশৰ প্ৰতি আৰু এজন মানৱ সত্বা (Human being) হিচাপে সমগ্ৰ মানৱ জাতি আৰু এই পৃথিৱীৰ অস্তিত্ব ৰক্ষা কৰাত সহায় কৰা মানুহ জৈৱিক আৰু অজৈৱিক উপাদানৰ প্ৰতি। গতিকে মোৰ জীৱনৰ এক অপৰিহাৰ্য অংগ হ'ল সামাজিক কৰ্তব্য সম্পাদন। প্ৰত্যেক সুস্থ ব্যক্তিয়ে বাঞ্ছা কৰাৰ দৰে মইও এখন সুস্থ সমাজ অৰ্থাৎ হিংসা, বিদ্বেষ শূণ্য, দুৰ্নীতি শূণ্য, সন্ত্ৰাসবিহীন আৰু এখন অৰ্থনৈতিক, শৈক্ষিক লগতে আধ্যাত্মিক দিশত আগবঢ়া সমাজ কামনা কৰো। ইয়াৰ উপৰিও মই মোৰ নিজা প্ৰচেষ্টাত এনে এখন অনুষ্ঠান গঢ়িব বিচাৰো যিয়ে আশ্ৰয়হীনসকলক আশ্ৰয় দিব, ভোকাতুৰক আহাৰ দিব আৰু দিব মৰম সনা সহাঁৰি। মই জানো ইয়াৰ বাবে মোক বহুত ধনৰ আৱশ্যক হব। বৰ্তমান মই অৰ্থনীতি বিজ্ঞানৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ। ভৱিষ্যতে MBA পাঠ্যক্ৰম গ্ৰহণ কৰি ব্যক্তিগতভাৱে "Eco friendly Product" উৎপাদন কৰা কোনো উদ্যোগ গঢ়ি তুলি বহুতক সংস্থাপন দিয়াৰ লগতে মোৰ সামাজিক কৰ্তব্য পূৰণৰ দিশত অগ্ৰসৰ হোৱাৰ মিঠা সপোন বুকুৰ মাজত সযতনে পুহি ৰাখিছো। ইয়াৰ উপৰিও মই সামাজিক স্বাৰ্থত যিকোনো ত্যাগ কৰাৰ লগতে ৰক্তদান আৰু নেত্ৰদান কৰিবৰ বাবে সদা প্ৰস্তুত।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মনৰ কোঠালীৰ পৰা

# এটি এটি ক্ষণ যেন মুকুতাৰ ধন ......



গুনদা দাস
প্ৰবক্তা, অসমীয়া বিভাগ
ছমৰীয়া আঞ্চলিক মহাবিদ্যালয় (ছমৰীয়া)

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু মোৰ লগতে মোৰ আন আন শিক্ষাগুৰুসকললৈ সহস্ৰবাৰ শ্ৰদ্ধা আৰু প্ৰণাম জনালো, যিসকলে মোক মোৰ জীৱনৰ অন্ধকাৰ আতঁৰাই জ্ঞানৰ বন্তি জ্বলাই পোহৰৰ দিশলৈ আগবঢ়াই নিয়াত সহস্ৰবাৰ উদগনি যোগালে। লগতে মহাবিদ্যালয়খনত শিক্ষাৰত অৱস্থাত থকা ছাত্ৰ-ছাত্ৰী, ভাইটি-ভন্টিহঁতলৈ মৰম যাঁচিলো। আটাইৰে মঙ্গল কামনা কৰিলো।

সময়।

কাল।

বতৰ।

বৈজ্ঞানিক যুগত ইয়াক ঘড়ী বোলা হয়। সময় জোখাৰ বাবে প্ৰণালীও বহু আছে, কিন্তু ইয়াক কামেৰে জোখাহে উচিত। ৰাতিপুৱা শুই উঠি নিত্য কৰ্ম কৰি, মুখ-হাত ধুই , চাহ -জলপান খাই ছাত্ৰ-ছাত্ৰীসকলে পঢ়া টেবুলত বহে, কৰ্মৰত সকলে নিজৰ নিজৰ কামলৈ ওলাই যায়।

বেলিও লাহে লাহে উঠি থাকে।

সময়ো গৈ থাকে, আমিও গৈ থাকো।

ঘড়ী বোলা যন্ত্ৰটো সময় গণনাৰ বাবে ঘন্টা, মিনিট, চেকেণ্ড আদি ভাগত ভাগ কৰা হৈছে। সেই প্ৰতিটো ক্ষণ, প্ৰতিটো চেকেণ্ড অতি মূল্যবান মুকুতা। যি মুকুতা আমাৰ প্ৰত্যেকৰেই লগত থাকে। সেই মুকুতা যদি আমি ব্যৱহাৰ কৰিব নাজানো, আমি বহু সুবিধা হেৰুৱাই পেলাব লাগিব। আমি আমাৰ আশা কৰা মতে প্ৰাপ্যৰ পৰা বঞ্চিত হ'ব লাগিব।

সদায় জীৱনৰ শেষ দিন বুলি ধৰি লৈ কৰ্ম কৰিবা
আজিৰ কাম কালি কৰিম বুলি নাভাবিবা।। (হজৰত মোহাম্মদ) (দঃ)

মই এজনী ছাত্ৰী

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰে ছাত্ৰী। আনুষ্ঠানিক শিক্ষাৰ সময় অতিক্ৰম কৰাৰ বাবে মই কলেজ এৰিব লগা হৈছে। সেইবাবে মই প্ৰাক্তন। পিচে মই এতিয়াও ছাত্ৰীয়েই।

'জৱাহৰজ্যোতি' জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ 'মুখপত্ৰ'। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ আহিলাস্বৰূপ। এই আলোচনীখনতেই প্ৰকাশৰ বাবে শ্ৰদ্ধাৰ শিক্ষাগুৰু মঞ্জিৰা শৰ্মা বাইদেউৱে মোক প্ৰাক্তন ছাত্ৰৰ শিতানত দুকলম লিখাৰ বাবে উদগনি যোগোৱাত তথা মই মোৰ মনৰ ভাববোৰ প্ৰকাশ কৰাৰ সুবিধাকণ পোৱাৰ বাবে মই শ্ৰদ্ধাৰ বাইদেউ গৰাকীলৈ অশেষ প্ৰণাম ও ধন্যবাদ জ্ঞাপন কৰিলো।

জে.এন. কলেজৰ স্মৃতি মানস পটলৈ অনাৰ লগে লগেই কলেজখনৰ প্ৰাকৃতিক সৌন্দৰ্যই মনৰ কোনো নিভৃততম কোণলৈ যেন স্মৃতিৰ আনন্দৰ জোৱাৰ তথা গৌৰৱ কঢ়িয়াই আনে। সচাঁকৈয়ে কলেজখনৰ সৌন্দৰ্য বৰ্ণনাৰ অতীত।

"অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ" ....

এনেহেন বাক্যৰেই এটি অংশ বিশেষ বকো চহৰখন। এই চহৰখনতেই কিছু নিলগত শাল আৰু শাৰী শাৰী নাহৰৰ গছবোৰৰ মাজতেই যেন জৱাহৰলাল নেহৰু মহাবিদ্যালয়খন জীৱিত। শাল আৰু নাহৰৰ ছাঁত উপজে প্ৰাণৰ স্পন্দন। এক চিৰস্থায়ী সূৰ্য্যোদয় হয় কলেজখনৰ বুকুত। মন্দিৰ সদৃশ কলেজ ভৱন, গছৰ পাতত হেপাহৰ কোমল স্পৰ্শ। দিনটোৰ ব্যস্ততাৰ প্ৰতীক স্বৰূপ ছাত্ৰ-ছাত্ৰী, শিক্ষকসকল আৰু লগতে সন্মুখৰ আলিবাটটো। চাৰিওপিনে পকাৰ দেৱালয়ৰ মাজত পকীৰে খোদিত প্ৰৱেশদ্বাৰৰ মাজেৰে গতি কৰিলেই প্ৰথমেই পোৱা যায় কলা শাখাৰ ভৱনসমূহ আৰু কিছু দূৰ অতিক্ৰম কৰিলেই পোৱা যায় বিজ্ঞান শাখাৰ ভৱনসমূহ। দুয়ো শাখাৰ ভৱনবোৰৰ মাজতেই আছে শিক্ষাগুৰু সকলৰ জিৰণীকোঠা, য'ত শিক্ষকসকলে নানা দিশৰ, নানা কথা আলোচনা কৰি এক শিক্ষামুখৰ পৰিবেশৰ সৃষ্টি কৰে। তাৰেই নিচেই কাষতে সংলগ্নআমাৰ অধ্যক্ষ ডাঙৰীয়াৰ কোঠা, যি সময়ত সেইখন আসন শোভিত কৰি ৰাখিছিল ড° ৰমাকান্ত বৰুৱাদেৱে। সন্মুখৰ শাৰী শাৰী নাহৰৰ জোপোহা গছবোৰৰ ফুলবোৰে সৌন্দৰ্য দুগুণে বৃদ্ধি কৰিছে। গছবোৰৰ তলত থকা শাৰী শাৰী বেঞ্চবোৰত বহি ছাত্ৰ-ছাত্ৰীসকলে তেতিয়াৰ পৰা বৰ্তমানলৈও 'অফ্ পিৰিয়ড' সমূহ আনন্দ-বিনোদনেৰে পাৰ কৰি আহিছে। যন্ত্ৰৰ দৰে পুৱা ৯ বজাৰ পৰা ৪ বজালৈ এটাৰ পিছত এটা এক নিৰ্দ্দিষ্ট গতিৰে সম্পূৰ্ণ শৃঙ্খলা আৰু নিয়মানুবৰ্ত্তিতাৰে শিক্ষাগুৰুসকলে একাগ্ৰতাৰে শ্ৰেণীসমূহত পাঠদান কৰি গৈয়েই আছে। দিনটোৰ গতানুগতিক ব্যস্ততাৰ পিছত চৰাই বিননীয়ে যেন গধূলি নমাই আনে। পুনঃ ৰাতিৰ জিলিৰ মাতত পুৱাৰ বন্দনা। প্ৰভাতী সুৰুযে যেন মাতে ৰিঙিয়াই - আহা সকলোৱে জ্ঞানৰ বন্তি জ্বলাওঁ।

সন্মুখৰ বহল দুখন খেলপথাৰে বছৰত অনুষ্ঠিত হোৱা 'মহাবিদ্যালয় সপ্তাহ'ৰ খেলসমূহৰ দ্বাৰা ৰজন জনাই থাকে। তেতিয়া অৱশ্যে বৰ্তমানৰ দৰে 'মিনি ষ্টেডিয়াম' নাছিল আৰু খেলৰ আহিলা পাতিও পৰ্যাপ্ত পৰিমাণৰ সংগ্ৰহ কৰা হোৱা নাছিল। ছাত্ৰ-ছাত্ৰীসকলে 'মহাবিদ্যালয় সপ্তাহ'ৰ দিনকেইটাত এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি কৰে আৰু সকলোৱে নিজৰ নিজৰ প্ৰতিভাসমূহৰ উৎকৰ্ষ সাধন কৰাৰ সুবিধা লাভ কৰে।

আনপিনে বছৰৰ আৰম্ভণীত অনুষ্ঠিত হোৱা 'নৱাগত আদৰণী সভা' খনেও মনত বাৰুকৈয়ে প্ৰভাৱ পেলায়। নানা ৰঙী কাপোৰেৰে জিলিকি উঠা ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাগম তথা চা-চিনাকী পৰ্বযে কি ৰঙীন তথা আনন্দময়, কল্পনাৰ অতীত। সঁচা কৈয়ে সেই কলেজীয়া দিনবোৰৰ কথা মনলৈ আহিলে পুনঃ সেই সময়লৈ গতি কৰিবৰ মন যায়।

"পঢ়ায় পঢ়ে, ৰোৱে পাণ,
ই তিনি নিশ্চিন্তে আন।"

একমাত্ৰ উচ্চ শিক্ষাৰ উদ্দেশ্য লৈয়ে এগৰাকী সাধাৰণ ছাত্ৰীৰূপে জে. এন. কলেজৰ মজিয়াত খোজ পেলাইছিলো ১৯৯৭ চনৰ জুন মাহত। স্কুলীয়া পৰিবেশৰ ব্যতিক্ৰম, বিশাল চাৰিসীমাৰ, অপৰিচিত বিশাল কলেজীয়া পৰিবেশৰ নিয়মানুবৰ্তিতা, শৃংখলা আদিৰ জ্ঞানৰ অভাৱ হোৱাৰ বাবে নিজকে পৰিবেশটোৰ লগত খাপ খুওৱাৰ বাবে কিছু অসুবিধাৰ সন্মুখীন হৈছিলো। পিছে নাই, মোৰ আদি গুৰু স্বৰূপ শ্ৰদ্ধাৰ দেউতাই মোক মনত উৎসাহ, সাহস দান কৰোৱাত মোৰ মনৰ সমস্যাবোৰ অতি সোনকালে সমাধান কৰিবলৈ সক্ষম হলো। কম সময়ৰ ভিতৰতে কলেজৰ শিক্ষাগুৰুসকলৰ সান্নিধ্যও লাভ কৰিবলৈ সক্ষম হলো। এই সুযোগতে মই মোৰ জীৱনৰ বিভিন্ন দিশত মোক একান্তভাৱে উৎসাহ, সহায় সহযোগিতা, জ্ঞান দান কৰা শিক্ষাগুৰুসকলৰ নাম মই শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব বিচাৰো। সেই মহান ব্যক্তিসকলৰ ভিতৰত আছিল বিশেষকৈ ক্ষীৰোদ ঠাকুৰীয়া চাৰ, কমলেশ্বৰ ঠাকুৰীয়া চাৰ, ললিত ৰাভা চাৰ, যতীন মেধী চাৰ, মঞ্জিৰা শৰ্মা বাইদেউ, ৰুমিতা ফুকন বাইদেউ, বিজয়া ডেকা বাইদেউ আদি আৰু লগতে আন

আন চাৰ বাইদেউসকল। তেওঁলোকক মই মই পুনৰবাৰ শ্ৰদ্ধাৰে প্ৰণাম জনাইছো। এই মহান ব্যক্তিসকলৰ আশীৰ্বাদ, মৰম-চেনেহ, উৎসাহ উদ্দীপনাৰ মাজেৰে মই মোৰ পাচটি বছৰ যে কেনেকৈ পাৰ কৰিলো টলকিবই নোৱাৰিলো। তেওঁলোকৰ ইচ্ছাতেই হয়তো মই জে. এন. কলেজৰ পৰা বি. এ. ডিগ্ৰী লৈ পৰবৰ্তী সময়লৈ বিশ্ববিদ্যালয়ত এম. এ. ডিগ্ৰীটোও লৈ কলেজ এখনত বৰ্তমানে সেৱা কৰি থকাৰ সুযোগ কণো পালো। মই মোৰ লক্ষ্যত যেন উপনীত হবলৈ সক্ষম হলো। তেওঁলোকলৈ মোৰ অশেষ ধন্যবাদ থাকিল লগতে মোৰ জীৱনৰ উন্নতিৰ হকে যেন তেওঁলোকে মোক আশীৰ্বাদ জনায়।

এজনী কলেজীয়া ছাত্ৰী বা ছাত্ৰ হিচাপে প্ৰত্যেকৰে প্ৰধান কাম হ'ল অধ্যয়ন। কাৰণ আনুষ্ঠানিক পৰীক্ষাত ভালদৰে কৃতকাৰ্যতা আনিব পাৰিলেহে জীৱন যুদ্ধত উত্তীৰ্ণ হ'ব পাৰি। এই কৃতকাৰ্যতাআনিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজন হয় শৃংখলা, সময়ানুবৰ্তিতা আৰু নিয়মানুৱৰ্তিতাৰ। আজিৰ ছাত্ৰ ভৱিষ্যতৰ নাগৰিক। গতিকে আমি প্ৰথমাৱস্থাৰ পৰাই হব লাগিব শিষ্টাচাৰী, কৰ্তব্যপৰায়ণ, ন্যায়পৰায়ণ। এই সকলোবোৰ শিক্ষা আমি আনুষ্ঠানিক বা অনানুষ্ঠানিক শিক্ষাৰ মাজেৰেও লাভ কৰিবলৈ সক্ষম হওঁ। বিশেষকৈ আনুষ্ঠানিক শিক্ষাইহে আমাৰ জ্ঞানৰ পৰিধি বিস্তৃত কৰে। এই ক্ষেত্ৰত ছাত্ৰৰ একাগ্ৰতাহে সাফল্য লাভ কৰাত সহায় কৰে। গতিকে

"ছাত্ৰানাং অধ্যয়নং তপঃ।"

সংস্কৃতত ছাত্ৰসকলৰ বাবে এষাৰ সাৰুৱা কথা আছে —

"প্ৰথমে নাৰ্জিতং বিদ্যা দ্বিতীয় নাৰ্জিতং ধনম্।
তৃতীয়ে নাৰ্জিতং পুন্যং চতুৰ্থে কিং কৰিষ্যতি।।"

অৰ্থাৎ জীৱনৰ প্ৰথম কালছোৱাত লাগতিয়াল বিদ্যা, বিদ্যা অৰ্জনৰ পিছত ধন, পিছত পুন্য আৰ্জিব লাগিব। উক্ত কামকেইটা যথাসময়ত নকৰিলে সমাজ-জীৱনত তেনে ব্যক্তি অচল টকাৰ দৰে হৈ পৰিব।

--- 000 ---

প্ৰাক্তন ছাত্ৰ
শ্ৰীকুলেন্দ্ৰ ৰায় চৌধুৰী
গুৱাহাটী, ৰাজগড় উপপথ নং - ০১

মনৰ দাপোণত জুমি চাওঁ, সেই দিনবোৰলৈ। কিমান মধুৰ স্মৃতিৰে ভৰা। কেতিয়াবা হুঁহুৱায় আৰু কেতিয়াবা তাৰ বিপৰীত। জীৱন পথত বহুদূৰ আগুৱাইও উভতি চাওঁ বাৰে বাৰে। ক'ত গ'ল সেই দিন; ক'ত গ'ল সেই সময়। সময়ে সকলোকে বহু পৰিৱৰ্তন কৰায়। সেয়ে গায়কে গায় - নালাগে তই ডাঙৰ হ'ব, বাইদেউ বা আইতা হব, এৰা এতিয়া ভাব হয় ডাঙৰ নোহোৱাহেঁতেন ভাল আছিল।

গাওঁৰ স্কুলত পঢ়ি থকা কালতে মহাবিদ্যালয়ৰ ভাব মূৰ্ত্তিয়ে হৃদয়ত এক স্বপ্ন ৰচনা কৰিছিল। এদিন ঘটনাৰ চৌৰে আনি জৱাহৰ লাল নেহৰু মহাবিদ্যালয়ৰ পাৰত পেলাই দিলেহি সেই আনন্দ অনিৰ্বচনীয়। বহুতৰে উৎসাহ আৰু সহযোগিতাত শিক্ষা সাহিত্য, কৃষ্টি চৰ্চা আদি অনুসৃত হৈছিল। শিক্ষা গুৰু সকল সাগৰ, সম্ভৱত ভক্তি শ্ৰদ্ধা আন নালাগে প্ৰীতিৰো উদ্ৰেক কৰিছিল।

বয়সৰ শিকনি মানি লবা। যৌৱনৰ কামনা বাসনা বিনা আক্ষেপে বিসৰ্জন দিবা। তোমাৰ কৰ্ম তোমাৰ অভিলাস যিয়েই নহওঁক কিয় জীৱনৰ হুলস্থুলীয়া উদ্দাম গতিত তোমাৰ মনৰ শান্তি কদাপি বিঘ্নিত হবলৈ নিদিবা। এই সোনসেৰীয়া কথা দুষাৰী জনা স্বতেও আজিও দেখোন মহাবিদ্যালয়ত ঘটা কিছু ঘটনাই মোক নিসংগ সময়ত আমনি কৰে। এই বোৰেই জানো আমাৰ এৰি অহা দিনৰ স্মৃতি নহয়।

জৱাহৰ লাল নেহৰু মহাবিদ্যালয়ত লাভ কৰা মোৰ শিক্ষা এটা উৎসৱৰ দৰে। বসন্ত আহিলে বসন্ত উৎসৱ। কৃষি পামত প্ৰথম নাঙল জোৰাৰ দিনা হলকৰ্ষণ উৎসৱ। বাৰিষা আহিলে তাঁৰ শুকান ক্ষেত্ৰত গছ পুলি ৰোৱাতো এটা উৎসৱৰেই আৰম্ভ কৰা হয়। যি বছৰত মই মহাবিদ্যালয়ত নাম লগাও সেই বছৰ (২০০১ চন) বহু বন্ধু বান্ধৱী পাইছিলো তাৰ ভিতৰত ভবেশ বায়ন, দিগন্ত দাস, ধৰণী মেধি, বিপুল নাথ, ৰিতু দৈমাৰী, তপন দৈমাৰী, ইফ্‌টাৰ হুচেইন, মিন্তু আক্ৰাম, জিতু চৌধুৰী, নিজাম আলী, নৱনীতা শৰ্মা, ভূমিজা মেধি, গীতা কলিতা, অজন্তা, ছায়া আদি -- নামৰ তালিকা দিবলৈ বেয়া লাগিছে মনলৈ এতিয়া যি আহিছে তাকে লিখিছোঁ। জৱাহৰ লাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল যদি গণতন্ত্ৰত বিশ্বাসী হৈ বিভীসিকা - তন্ত্ৰৰ ফালে আগবাঢ়ে মই তেতিয়া অত্যন্ত সুখী হম। কিয়নো জৱাহৰ লাল নেহৰু মহাবিদ্যালয়ত অধ্যয়ন নকৰা হলে মোৰ জীৱনৰ গতি পথেই হয়তো সলনি হৈ গ'লহেঁতেন।

আমি সকলোৱে জানো অতীত বিগত আৰু ভবিষ্যত অনাগত, তাৰ মাজৰ মুহূৰ্ত্ত খিনিয়েই বৰ্তমানৰ সাহিত্য সৃষ্টিৰ মুহূৰ্ত্ত। ২০০১ চনৰ পৰাই এতিয়ালৈকে জৱাহৰ লাল নেহৰু মহাবিদ্যালয়ে মোক সকলো দিছে। লাইব্ৰেৰীৰ পৰা মোৰ প্ৰাপ্য খিনি মই পাইছিলোঁ।

মেট্ৰিত পৰীক্ষা পাচ হৈ কলেজলৈ অহা প্ৰথম দিনটোৰ কথা ৰোমন্থন কৰি মনত এক বুজাব নোৱাৰা আনন্দ অনুভব কৰিছোঁ। প্ৰথম দিনাখন যেতিয়া দেউতাই কিনি দিয়া নতুন চাইকেল খনেৰে ঘৰৰ পৰা ওলাই আহিছিলোঁ - মা, ভন্টি, দেউতা আৰু দাদাই থিয়হৈ চাই থকা দৃশ্যটো সঁচাকৈ বৰ আনন্দৰ আছিল। পিন্ধনত আছিল লুংলুঙীয়া সেউজীয়া হাতদীঘল তথা দুখন পকেটযুক্ত এটা চোলা আৰু হালধীয়া এটা লংপেন্ট। ভৰিত এযোৰ একেবাৰে কমদামী চেন্দেল। ঘৰৰ পৰা পাঁচ কিঃ মিঃ চাইকেল মাৰি ঘামি জামি ধুপধৰাৰ পৰা বাচত উঠো মহাবিদ্যালয়লৈ বুলি। ঘামত তিতে মোৰ চোলা, কপালত ফুটফুটীয়া ঘাম। প্ৰথম দিনাখন গাড়ীৰ পৰা নামিয়েই দেখিছিলো বহু ৰং বিৰঙৰ কাপোৰেৰে ভৰি থকা ছাত্ৰ-ছাত্ৰীৰ দল। (তেতিয়া Uniform নাছিল) মনত ভয় লাগিছিল, কিন্তু; আনন্দৰ জোৱাৰো কম নাছিল।

"কি নাম তোমাৰ? এটা মিঠা প্ৰশ্ন, পুৰুষৰ নহয়।

শ্ৰীকুলেন্দ্ৰ ৰায়চৌধুৰী।

ঃ কৰ পৰা আহিছা?

ধুপধৰাৰ খেকাপাৰৰ পৰা - মোৰ পোনপটীয়া উত্তৰ।

ঃ তোমাক কিন্তু মই কুলেন বুলিহে মাতিম, হবনে? হঠাৎ এটা সুৰলা কণ্ঠৰ আবিস্কাৰ ঘটিছিল। মই তাইৰ পিনে ঘূৰি চাইছিলোঁ, তাই হাঁহিছিল আৰু মই ... ...! (নামটো উল্লেখ নকৰো)

মহাবিদ্যালয়ৰ দিনবোৰ আৰম্ভ হৈছিল সেই দিনটোৰ পৰাই। কিন্তু যেতিয়া শ্ৰেণীত বহিছিলোঁ মোক প্ৰশ্ন সোধা ছোৱালী কেইজনীও আছিল সেই বছৰৰেই নবাগত। বাৰু যি হওঁক মোৰ যাত্ৰাৰ আৰম্ভণী ঘটিল।

বহুত সহজ সৰল দেখিলে এনেকুৱা লাগে যেন মোৰ একোৱেই নাই। সৰলতাৰ সুযোগ লৈ বহুতে বহু কিবা কিবি কৈছিল বা কৰিছিল তাক আজি আৰু ব্যাখ্যা নকৰোঁ। কাৰণ তেওঁলোকও এতিয়া প্ৰতিষ্ঠিত। দিন বাগৰাৰ লগে লগে মোৰো পৰিবৰ্ত্তন ঘটিল বনভোজৰ পৰা ইলেক্‌চনলৈ। এতিয়াও কৰ্ম জীৱনত বনভোজ খাও কিন্তু কলেজ জীৱনৰ লগত সেইবোৰৰ তুলনা নহয়। কিমান মাদকতা ভৰা আছিল সেই দিনবোৰ

(ক) কাতি কাইৰ দোকান

(খ) গছৰ তল

(গ) এতিয়াৰ নতুন চাইকেল ষ্টেণ্ড, তেতিয়া নাছিল।

**কাতি কাইৰ দোকান ঃ**

এতিয়া কাতি কাইৰ চাহৰ দোকানখন প্ৰায়ে বন্ধ হৈ থকা দেখোঁ। থিক কলেজৰ সন্মুখতে কাতি কাইৰ দোকান। দাম কম, নানাবিধ খাদ্য যাতে সকলোৱে খাব পাৰে এনে ব্যৱস্থা। সেইবাবে কাতি কাইৰ দোকান ছাত্ৰ-ছাত্ৰীৰ সকলৰ মাজত জনপ্ৰিয় হৈ উঠিছিল। কাতি কাই নিজে বহিছিল আৰু ছাত্ৰ সকলক বাকীও দিছিল। সেয়ে ভীৰ, দুপৰীয়া আৰু কলেজ ছুটিৰ পিছত। তাৰ পৰাই গঢ়ি উঠিছিল চাহৰ আড্ডা, কলেজীয়া ছাত্ৰৰ আড্ডা। সেই আড্ডাৰ যোগেদি প্ৰসাৰ হৈছিল বন্ধুত্বৰ আৰু পৰিচয়ৰ। আজিওকিন্তু আছে সেই কাতি কাইৰ চাহৰ দোকান; কিন্তু আড্ডাৰ কথাহে নাজানোঁ।বাচি থাকক কাতি কাইৰ পানকেক্ আৰু বহুত কিবা কিবি

**যৌৱনৰ আড্ডা ঃ**

কলেজৰ আশে পাশে আজিৰ দৰে বহু আড্ডা গঢ় দি উঠিছিল। মোৰ সেই যৌৱনৰ দিনৰ আড্ডা আছিল কলেজ Field ত, উষ্ণতাৰ পৰিবেশত, কলেজ বাৰান্দা, গছৰ তলত বেঞ্চিত, কেন্টিন আদিত। মাথো ভিন্ন স্বাদৰ। পঢ়া শুনাৰ স্বাৰ্থত কিন্তু যৌৱনৰ এমাইল দুৰত্বত ৰাখিছিল যদিও কাৰোবাক মনৰ কথা আজিলৈকেও কোৱা নহল (বহু বছৰ পিচত লগ পাইছিলো, ট্ৰেফিক জামত)

নকৈ নোৱাৰি যে শিক্ষাগুৰু সকলৰ মই প্ৰিয় পাত্ৰ আছিলো। প্ৰতিজন শিক্ষাগুৰুৱে মোক বহু ধৰণে বিভিন্ন ধৰণে সহায় কৰিছিল। তাৰ ভিতৰত উল্লেখ কৰিব লাগিব আজিও মোৰ বাস্তৱ জীৱনত সুখ-দুখৰ খবৰ লোৱা মোৰ শ্ৰদ্ধাৰ বাইদেউ মঞ্জিৰা শৰ্মা। আজিও বাইদেউৱে মোক লৈ আশা কৰে, সপোন দেখে। কিন্তু মই যে আৰু নোৱাৰা হৈছোঁ। কলেজ জীৱনত কিবা কিবি লিখিছিলো আৰু বাইদেউ ক দেখুৱাইছিলো, সেয়াই আছিল মোৰ ভুল। (বেয়া ভাবি কোৱা নাই) মই হেনো লিখিব পাৰিম। মোৰ লিখনিত অৰ্থ আছে আৰু আৰু —

আজিও বাইদেউৱে মোৰ খবৰ লয়, ফোন কৰে আৰু সকিয়াই দিয়ে "বেছি খৰচ নকৰিবা, ধন জমা কৰিবা, চিন্তা নকৰিবা সকলো থিক হব।" মোৰ কৃতকাৰ্যতাত হয়তো মোতকৈ বাইদেউৱে বেছি সুখী হয়। এতিয়া কৰ্মসংস্থান আৰু নিৰাপত্তাৰ চিন্তাত মোৰ যন্ত্ৰ বিকল হৈ গৈছে। সেয়াটো মই বাইদেউক জনাব নোৱাৰো। সচাঁকৈ কৈছো আজিকালি মোৰ মনটো ভাল নহয়। মই আৰু লিখিব নোৱাৰো, কলম ললেও কোনো ভাষা বিচাৰি নাপাওঁ। নাভাবিব মই সলনি হৈছো বুলি — মই একেই আছো সেই কলেজৰ কুলেন্দ্ৰ হৈ । এতিয়াটো মই ২১ বছৰীয়া ল'ৰা নহয় বাইদেউ। তথাপি বিছাৰো আপোনাৰ চুটি হাঁহি আৰু আশীৰ্বাদ।

**কলেজ ইলেক্‌চন ঃ**

এবাৰ ইলেক্‌চন খেলিছিলোঁ আলোচনী বিভাগত। য'ত তিনিজন ছাত্ৰ প্ৰতিদ্বন্দী হৈছিল। মই সেই ইলেক্‌চনত জয়ী হৈছিলোঁ। হাৰ জিতটো ডাঙৰ কথা নহয়। কিন্তু ঘটনা হ'ল — মোক ভোট দিয়া বুলি মোৰ পৰা পইচা আদায় কৰা বন্ধু কেইজনমানৰ বিশ্বাসঘাটকতা। কাৰণ মোৰ চকুত আছিল অসততা, অমানৱতাৰে অশুভ পৃথিৱীখনক সলনি কৰাৰ স্বপ্ন। কিন্তু ঘটনাই মোক উজুটি খুৱাইছিল, সামান্য লোভৰ বাবে বিশ্বাসঘাটকতা কৰিব পাৰে বন্ধুৱে। ইয়াতকৈ হতাশাজনক ঘটনা কি হ'ব পাৰে ? তথাপি আজি যি কৰিছোঁ সেয়া একমাত্ৰ মহাবিদ্যালয় আৰু শিক্ষাগুৰু সকলৰ বাবে সাহিত্যৰ জগতৰ পৰা আহি এতিয়া সাংস্কৃতিক জগত খনৰ যোগেদি উত্তৰ পূৰ্বাঞ্চলৰ উপৰিও অসমৰ বাহিৰত বিভিন্ন ঠাইত কাম কৰিবলৈ সাহস পাইছোঁ।

বহু বছৰৰ বিৰতিৰ পিচত হলেও নকৈ পুৱাৰ ফেহুজালিয়েসকলো জঠৰতাৰ ওৰ পেলাই এক অৰুনোদয়ৰ সূত্ৰপাত ঘটাওঁক। অনাগত প্ৰতিটো নতুন দিনৰ প্ৰতিটো প্ৰভাতত নিজৰ ঐতিহ্যমণ্ডিত গৰ্বেৰে গৰ্বিত হৈ মহাবিদ্যালয়ৰ প্ৰতিজন বৰ্ত্তমান ছাত্ৰই নিজৰ অঞ্চলৰ, জাতিৰ তথা দেশৰ সোনালী ভৱিষ্যত গঢ়াৰ কাৰণে সপোন ৰচক। ইয়াৰ বাহিৰে মই একো কব নোৱাৰো কাৰণ মোৰ দৰে এক সাধাৰণ লৰাই জগতৰ ভৱিষ্যত সম্পৰ্কে কিবা কোৱাৰ স্পৰ্দ্ধা নকৰোঁ। কিন্তু পৃথিৱীলৈ অন্ধকাৰ যুগ অহাৰ পাছতো আকৌ "তোৰে -মোৰ" সকলোৰে আলোক যাত্ৰাই সেই অন্ধকাৰ অমানিশা আঁতৰোৱাৰ কথাও ইতিহাসত পঢ়িবলৈ পাওঁ।

শেষত জৱাহৰ লাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ বিকাশৰ বাবে মোৰ হিয়া ভৰা শুভেচ্ছা জনাই তথা শ্ৰদ্ধাৰ মঞ্জিৰা বাইদেউৱে এইকণ সুবিধা দিয়াৰ বাবে সেৱা জনাই এই লিখনি সামৰিছোঁ।

## জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ এটি সজীৱ স্মৃতি



শ্ৰীপৰাণ ঠাকুৰীয়া
প্ৰাক্তন ছাত্ৰ

তুমি উন্মেষশালিনী, চিৰ ভ্ৰাতৃৰ মিলনৰ আবহমান প্ৰতীক। নিষ্ঠা শিক্ষা সাধনাৰ উৎস তুমি। তুমি যে মোৰ চিৰ নমস্য মহাবিদ্যালয়।

মই যেতিয়া জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নাম শুনিবলৈ পাইছিলো, তেতিয়া সেই মহাবিদ্যালয়লৈ যোৱাৰ কাৰণে মোৰ বহু সপোন জুমুৰী ধৰি দুচকুত ভাহি আছিল। সচাঁকৈ এদিন সপোন বাস্তৱত ধৰা দিলে। যিখন মহাবিদ্যালয়ক মই মন্দিৰ বুলি সেৱা কৰিছিলো তাত মই ১৯৯১ চনত কলা বিভাগত নাম ভৰ্তি কৰিলো। প্ৰথম দিনাখন গৈ শ্ৰেণীকোঠাত সিমান মন বহুৱাব পৰা নাছিলো। কাৰণ ক্লাছবোৰ হাইস্কুলৰ দৰে নহয়। পিচলৈ বন্ধু বান্ধৱী লগতে চাৰ বাইদেউ সকলৰ লগত চা চিনাকী হৈ নিজকে সহজ কৰি ল'লো। ক্লাছ নথকা সময়ত বন্ধুৰ লগত লাইব্ৰেৰীত কিতাপ পঢ়ি সময় অতিবাহিত কৰিছিলো। মই ইয়াৰ পৰা যথেষ্ট লাভবান হৈছিলো। কাৰণ ইয়াত পঢ়া কিতাপৰ পৰা মই মোৰ জ্ঞানৰ পৰিসৰ বিস্তৃত কৰিবলৈ সুবিধা পাইছিলো।

মহাবিদ্যালয় খনত মোৰ এটি পাহৰিব নোৱাৰা স্মৃতি এতিয়াও সজীৱ হৈ আছে। মই H.S. 1st year ৰত তেতিয়া আমাক ইংৰাজী বিষয়ৰ পাঠদান কৰিছিল দিলীপ দাস, পুলক তালুকদাৰ, ৰত্না বাইদেউ আৰু উমেশ কৰ চাৰে। এদিনাখন পাঠদানৰ মাজতে কৰ চাৰে আমাক Woman শব্দৰ অসমীয়া অৰ্থ সুধিছিল। সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে একমুখে উত্তৰ দিলে যে Woman মানে তিৰোতা। কিন্তু চাৰে আৰু কিবা এটা আছে কোৱাচোন, কোনে পাৰিবা বুলি সুধিলে। তেতিয়া মই ভাবিলো নিশ্চয় গাওঁলীয়া কথিত অৰ্থটোহে হব। বহু ভাবি চিন্তি কলো তিৰি চাৰ। তাৰ পাচত আমাৰ সকলোৰে পেটৰ নাড়ী ডাল ডাল। চাৰেও ক'লে হয় তিৰি তিৰি হাঃ হাঃ।

আমাৰ মহাবিদ্যালয়খনত প্ৰাকৃতিক সৌন্দৰ্য্য বিৰাজ কৰি আছে। লগতে যাতায়াতৰ ব্যৱস্থা আছে বাবে দূৰণিৰ পৰা অহা ছাত্ৰ-ছাত্ৰী সকলেও পাঠ গ্ৰহণ সঠিক সময়ত কৰিব পাৰে। আমাৰ মহাবিদ্যালয়ে খেলা-ধূলাৰ লগতে সাংস্কৃতিক দিশতো বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে।

মই যেতিয়া T.D.C. নাম ভৰ্তি কৰিছিলো তেতিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ৩৭ জন। সঁচাকৈ পাঠ গ্ৰহণৰ আমেজ আছিল সুকীয়া। এতিয়াও মনত পৰে সেই ডেস্ক বেঞ্চবোৰৰ কথা। মোৰ কাষত আছিল জিৎ গগৈ, উৎপল ৰাভা, বান্ধৱী হিৰামণি কলিতা, দিশা পাটোৱাৰী, মনিষা বড়ো। এওঁলোকে মোক সকলো দিশতে সহায়ৰ হাত আগবঢ়াইছিল। আমাৰ অসমীয়া বিভাগৰ প্ৰৱক্তাসকল আছিল যতীন চন্দ্ৰ মেধি, কমলেশ্বৰ ঠাকুৰীয়া, ক্ষীৰোদঠাকুৰীয়া, ললিত চন্দ্ৰ ৰাভা আৰু মোৰ চিৰ নমস্য শ্ৰীমঞ্জিৰা শৰ্মা বাইদেউ। যিয়ে মোক আজি এই নিবন্ধটো লেখাৰ বাবে অনুপ্ৰেৰণা যোগাইছে।

সকলো কৃতকাৰ্যতাৰ মূলতে হ'ল গুৰু। গুৰু অবিহনে কোনো কাম সম্পূৰ্ণ নহয়। শিক্ষাৰ ক্ষেত্ৰত মূল চাবিকাঠি হ'ল শিক্ষক শিক্ষয়িত্ৰী তথা বিদ্যালয়ৰ পৰিবেশ। আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ পৰিবেশ অতি সুন্দৰ। ইয়াত সোণত সুৱগা চৰাইছে ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুসকলৰ মিলাপ্ৰীতিয়ে। প্ৰাচীন ভাৰতীয় ঋষি মনুৱে শিক্ষক সকলৰ বিষয়ে এই বুলি যথাৰ্থ মন্তব্য কৰিছে — "A teacher is the image of Brahma" পৰম ব্ৰহ্মস্বৰূপ। এই শিক্ষক শিক্ষয়িত্ৰী সকলৰ ব্যক্তিত্ব আৰু সৎ গুণ ৰাজিৰ ওপৰতেমহাবিদ্যালয়ৰ অগ্ৰগতি নিৰ্ভৰ কৰে। এই কাৰণে শিক্ষকসকল প্ৰকৃততে গুণী জ্ঞানী আৰু ছাত্ৰ-ছাত্ৰীক দিশদৰ্শন কৰিব পৰা গুণৰ অধিকাৰী হোৱা উচিত। মোৰ শিক্ষা কালত মহাবিদ্যালয়ৰ এক সুস্থ পৰিবেশ বিৰাজ কৰা কথাটো আজিও মই অকপটে স্বীকাৰ কৰোঁ আৰু বৰ্তমানো মই ইয়াৰ ব্যতিক্ৰম দেখা নাই।

সদৌ শেষত আটাইলৈ সেৱা জনাই, মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ অতীত সোঁৱৰণ সামৰিলো।